**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-12-2024
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***

---------------------

১। উত্তৰ-পূৰ্বাঞ্চলত ৰাষ্ট্ৰীয় জলপথৰ আন্তঃগাঁথনি আৰু আভ্যন্তৰীণ জল পৰিবহণ ব্যৱস্থাৰ উন্নয়নৰ বাবে ৭৬৩ কোটি টকা ব্যয়ৰ প্ৰকল্প ৰূপায়ণ।

২। ৰাজ্য চৰকাৰৰ **বিকাশৰ ১২ দিন** কাৰ্যসূচীৰ অংশ হিচাপে আজি বিশ্বনাথ, ডিব্ৰুগড় আৰু নগাঁও জিলাত হিতাধিকাৰীৰ মাজত ধন বিতৰণ তথা সাহায্য প্ৰদান।

৩। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ টে’ট তথা নিযুক্তি পৰীক্ষা পিছুৱাবলৈ শিক্ষা বিভাগক নিৰ্দেশ ।

৪। কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ আজি আগৰতলাত উত্তৰ-পূব পৰিষদৰ বৈঠকত সভাপতিত্ব। বৈঠকত উত্তৰ-পূবৰ ৰাজ্যসমূহৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীসকলৰ অংশগ্ৰহণ। **আৰু**

৫। মহিলাৰ ১৯ বছৰ অনুৰ্ধৰ টি-টুৱেণ্টি এছিয়া কাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ফাইনেলত ভাৰত কাইলৈ বাংলাদেশৰ মুখামুখি।

০০০০০০

উত্তৰ-পূৰ্বাঞ্চলত ৰাষ্ট্ৰীয় জলপথৰ আন্তঃগাঁথনি আৰু আভ্যান্তৰীণ জল পৰিবহণ ব্যৱস্থাৰ উন্নয়নৰ উদ্দেশ্যে সাগৰমালা আঁচনিৰ অধীনত ৭৬৩ কোটি টকা ব্যয় সাপেক্ষ ছটা প্ৰকল্প ৰূপায়ণ কৰা হ’ব। কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে কালি এই কথা ঘোষণা কৰে। লোকসভাত এই প্ৰকল্পসমূহৰ সবিশেষ দাঙি ধৰি শ্ৰী সোণোৱালে কয়, যে ব্ৰহ্মপুত্ৰত দ্বিতীয় ৰাষ্ট্ৰীয় জলপথৰ উন্নয়নৰ বাবে ৪৬১ কোটি টকা, দ্বিতীয় ৰাষ্ট্ৰীয় জলপথৰ মাজেৰে পাণ্ডুত মাল্টি মডেল টাৰ্মিনেলৰ বাবে ১০৩ কোটি টকাৰ আৱণ্টন দিয়া হৈছে। সেইদৰে এই আঁচনিৰ অধীনত অন্যান্য আন্তঃগাঁথনি উন্নয়ন প্ৰকল্পৰ বাবে পুঁজিৰ আৱণ্টন দিয়া হৈছে বুলি তেওঁ লগতে জানিবলৈ দিয়ে। ০০০০০

০০০০০০

ৰাজ্য চৰকাৰৰ বিকাশৰ ১২ দিন কাৰ্যসূচীৰ অংশ হিচাপে আজি বিশ্বনাথ, ডিব্ৰুগড় আৰু নগাঁও জিলাত জনসাধাৰণৰ মাজত বিভিন্ন আঁচনিৰ অধীনত ধন বিতৰণ আৰু সাহাৰ্য্য প্ৰদান কৰা হ’ব। লখিমপুৰৰ চকুলিভৰীয়াত থকা লখিমপুৰ বাণিজ্য মহাবিদ্যালয় খেলপথাৰৰ সমীপত আয়োজন কৰিবলগীয়া অনুষ্ঠানত শ্ৰমিক কল্যাণ মন্ত্ৰী ৰূপেশ গোৱালাই মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। শিক্ষা বিভাগৰ প্ৰজ্ঞান ভাৰতী আঁচনিৰ ড০ বাণীকান্ত কাকতি মেধা বঁটাৰ অধীনত জিলাখনৰ এহেজাৰ ৯৮৪ গৰাকী শিক্ষাৰ্থীক স্কুটাৰ প্ৰদান কৰা হ’ব। মুখ্যমন্ত্ৰী বিশেষ আঁচনিৰ অধীনত নৱম শ্ৰেণীত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীক চাইকেল প্ৰদান কৰা হ’ব। সেইদৰে আনন্দৰাম বৰুৱা বঁটাৰ অধীনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত ৭৫ শতাংশ বা ততোধিক নম্বৰ লাভ কৰা ছাত্ৰ-ছাত্ৰীলৈ পুৰস্কাৰ প্ৰদান কৰা হ’ব।

বিকাশৰ বাবে ১২ দিন কাৰ্যসূচীত অংশ হিচাপে ডিব্ৰুগড় জিলাৰ মানকটা পূজা ফিল্ডৰ অনুষ্ঠানত শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনে অংশগ্ৰহণ কৰিব। সেইদৰে বিশ্বনাথ জিলাৰ কমলাকান্ত ক্ষেত্ৰত আয়োজিত অনুষ্ঠানত স্বাস্থ্য আৰু পৰিয়ালকল্যাণ মন্ত্ৰী অশোক সিংহলে মুখ্য অতিথি হিচাপে ভাগ ল'ব।

০০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে অহা ২৯ ডিচেম্বৰত স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষক নিযুক্তিৰ বাবে অনুষ্ঠিত হ'বলগা টেʼট তথা নিযুক্তি পৰীক্ষা পিছুৱাবলৈ শিক্ষা বিভাগক নিৰ্দেশ দিছে। একাংশ প্ৰাৰ্থীয়ে দাখিল কৰা এখন লেখ আবেদনৰ শুনানি লৈ কালি উচ্চ ন্যায়ালয়ৰ ন্যায়াধীশ মনীষ চৌধুৰীৰ এজনীয়া বিচাৰপীঠে এই নিৰ্দেশ প্ৰদান কৰে। গোচৰীয়া পক্ষৰ হৈ জ্যেষ্ঠ অধিবক্তা শান্তনু বৰঠাকুৰে যুক্তি দৰ্শাই কয়, যে খেল এখন আৰম্ভ কৰাৰ পাছত নিয়ম সলনি কৰাটো যুক্তিসন্মত নহয়। উল্লেখযোগ্য যে, শিক্ষা বিভাগে অহা ২৯ ডিচেম্বৰত টেট তথা নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰাৰ ঘোষণা কৰিছিল যদিও ৫ ডিচেম্বৰতহে গণিত বিষয়টো নতুনকৈ অন্তৰ্ভুক্ত কৰে। গোচৰীয়া পক্ষৰ অধিবক্তাৰ এই যুক্তি মানি লৈ ন্যায়ালয়ে পৰীক্ষাৰ দিন কমেও ১৫ দিন পিছুৱাই দিবলৈ শিক্ষা বিভাগক নিৰ্দেশ দিয়ে।

০০০০০০

ত্ৰিপুৰাৰ ৰাজধানী আগৰতলাত আজি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে উত্তৰ-পূব পৰিষদৰ ৭২ সংখ্যক পূৰ্ণাংগ বৈঠকত সভাপতিত্ব কৰিব। বৈঠকত উত্তৰ-পূৰ্বাঞ্চল উন্নয়নৰ কেন্দ্ৰীয় মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়া, উত্তৰ-পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰালয়ৰ কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ডং সুকান্ত মজুমদাৰো উপস্থিত থাকিব। এই বৈঠকত উত্তৰ-পূবৰ ৰাজ্যসমূহৰ ৰাজ্যপাল আৰু মুখ্যমন্ত্ৰীসকলেও অংশগ্ৰহণ কৰিব। উত্তৰ-পূব পৰিষদৰ এই পূৰ্ণাংগ বৈঠক কাৰিকৰী সত্ৰৰে কালি আৰম্ভ হৈছে। জ্যোতিৰাদিত্য সিন্ধিয়াই কালি সন্ধিয়া আগৰতলাত উপস্থিত হৈ সাংবাদিকৰ আগত কয়, যে এই বৈঠকে উত্তৰ-পূৰ্বাঞ্চলৰ দ্ৰুত বিকাশৰ নতুন বুনিয়াদ গঢ়িব। অদূৰ ভৱিষ্যতে এই অঞ্চলটো প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিচৰা ধৰণে বিকশিত অঞ্চল হিচাপেও পৰিগণিত হ'ব বুলি মন্ত্ৰী সিন্ধিয়াই দৃঢ়তাৰে কয়।

০০০০০০

ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইন ২০১৩ৰ অধীনত প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ হিতাধিকাৰীসকললৈ কাইলৈ আৰু অহা ২৮ ডিচেম্বৰত নতুন ৰেচন কাৰ্ড বিতৰণ কৰা হ'ব। নতুনকৈ ৰেচন কাৰ্ড প্ৰাপ্ত প্ৰতিটো পৰিয়ালে ২০২৫ চনৰ জানুৱাৰী মাহৰ পৰা প্ৰধানমন্ত্ৰী গৰীব কল্যাণ অন্ন যোজনাৰ অধীনত বিনামূলীয়াকৈ চাউল লাভ কৰিব। হিতাধিকাৰীসকলে অন্ন সেৱা দিনৰ সময়ছোৱাত নিজৰ নাম পঞ্জীয়নভুক্ত সুলভ মূল্যৰ দোকানৰ পৰা ই-পʼছ মেচিনৰ যোগেদি বিনামূলীয়া চাউল সংগ্ৰহ কৰিব পাৰিব। অধিক তথ্যৰ বাবে ১৮০০-৩৪৫-৩৬১১ টোল ফ্ৰী নম্বৰত যোগাযোগ কৰিব পাৰে।

০০০০০০

অসম আৰক্ষীৰ উপ-পৰিদৰ্শকৰ ২০৩টা বিভিন্ন পদৰ বাবে অহা ৫ জানুৱাৰীত লিখিত পৰীক্ষা অনুষ্ঠিত হ'ব। অহা ২৩ ডিচেম্বৰত এই লিখিত পৰীক্ষাৰ প্ৰৱেশ পত্ৰসমূহ প্ৰকাশ কৰা হ'ব। নিযুক্তি পৰীক্ষাত অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীয়ে slprbassam.in ৱেবছাইটৰ পৰা প্ৰৱেশ পত্ৰবোৰ ডাউনলোড কৰিব পাৰিব বুলি ৰাজ্যিক পৰ্যায়ৰ আৰক্ষী নিযুক্তি ব'ৰ্ডে এই কথা সদৰি কৰিছে। উল্লেখযোগ্য যে এই নিযুক্তি পৰীক্ষাত অনুষ্ঠিত হ'বলগীয়া ২০৩টা উপ-পৰিদৰ্শকৰ পদৰ ভিতৰত ১৪৪টা ইউ বি, ৫১টা এ বি, ৭টা কমিউনিকেচন আৰু এটা অসামৰিক প্ৰতিৰক্ষা বিভাগৰ সহকাৰী উপ-নিয়ন্ত্ৰক পদ অন্তৰ্ভুক্ত আছে।

০০০০০০

গুৱাহাটীক এখন স্বচ্ছ আৰু সেউজ মহানগৰ হিচাপে গঢ়ি তোলাৰ বাবে গুৱাহাটী পৌৰ নিগমে প্ৰথমবাৰৰ বাবে তিনিমহীয়া স্বচ্ছতা অভিযান কাৰ্যসূচী অব্যাহত ৰাখিছে। স্বচ্ছ ঘৰ, স্বচ্ছ পদূলি, স্বচ্ছ গুৱাহাটীৰ সংকল্প লৈ আৰম্ভ কৰা এই অভিযান কাৰ্যসূচীত  গুৱাহাটী পৌৰ নিগমে ৬টা সংমণ্ডলত ৬০০ ৰো অধিক ছাফাই কৰ্মীৰ সহযোগত অভিযান চলাইছে। বিগত এটা সপ্তাহত মহানগৰীৰ ৱাৰ্ডে ৱাৰ্ডে ছাফাইকৰ্মীসকলে পথ-উপপথ, নলা-নৰ্দমাৰ লগতে বিভিন্ন স্থানত লেতেৰা হৈ থকা দেৱালসমূহ পৰিষ্কাৰ কৰিছে।

০০০০০০

হাইস্কুল শিক্ষান্ত পৰীক্ষা ২০২৫ৰ আভ্যন্তৰীণ মূল্যায়নৰ নম্বৰ অন্তৰ্ভুক্তিৰ বাবে অহা ২৩ ডিচেম্বৰ পৰা ২৮ ডিচেম্বৰলৈ মাৰ্কছ্ এণ্ট্ৰি নামৰ এটা বিশেষ প'ৰ্টেল মুকলি কৰা হ'ব। এই সন্দৰ্ভত অসম ৰাজ্যিক বিদ্যালয় পৰিষদে জাৰি কৰা নিৰ্দেশনা অনুসৰি নিৰ্ধাৰিত সময়সীমাৰ ভিতৰত সকলো বিদ্যালয়ে হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ প্ৰতিগৰাকী পৰিক্ষাৰ্থীয়ে প্ৰতিটো বিষয়ৰ পৰিৱৰ্তে আভ্যন্তৰীণ মূল্যায়নৰ নম্বৰ প'ৰ্টেলত অন্তৰ্ভুক্ত কৰিব লাগিব। আনহাতে অফলাইনৰ জৰিয়তে কোনো নম্বৰ গ্ৰহণ কৰা নহয় বুলি পৰিষদে নিৰ্দেশনাত উল্লেখ কৰিছে। ইপিনে অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে উচ্চতৰ মাধ্যমিক প্ৰথম বৰ্ষৰ পৰীক্ষা ফেব্ৰুৱাৰী অথবা মাৰ্চ মাহত অনুষ্ঠিত কৰাৰ কথা ঘোষণা কৰিছে। এই পৰীক্ষাৰ বাবে অহা ২৬ ডিচেম্বৰৰ পৰা ১৩ ফেব্ৰুৱাৰীলৈ অনলাইন প্ৰ-পত্ৰ পূৰণৰ দিন পৰিষদে ধাৰ্য কৰিছে। লগতে পৰিষদে এই সমগ্ৰ বিষয়টো সকলো পৰিক্ষাৰ্থীক অৱগত কৰিবলৈ শিক্ষানুষ্ঠানৰসমূহৰ মুৰববীক নিৰ্দেশ দিছে। আনহাতে, পৰীক্ষাৰ মাচুল আদায়ৰ চালনকে ধৰি অন্যান্য তথ্য পাতি অহা বৰ্ষৰ ৩১ জানুৱাৰীৰ ভিতৰত বিদ্যালয় শিক্ষা পৰিষদৰ কাৰ্যালয়লৈ শিক্ষানুষ্ঠান কৰ্তৃপক্ষই প্ৰেৰণ কৰিব লাগিব বুলি নিৰ্দেশনাটোত উল্লেখ কৰা হৈছে।

০০০০০০

তামুলপুৰৰ লেহুৰাম বড়ো ক্ষেত্ৰত স্থানীয় আকাশী লিটাৰেৰী ছ'ছাইটিৰ উদ্যোগত আৰু জিলা প্ৰশাসনৰ সহযোগত কালিৰে পৰা ৬ দিনীয়াকৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে তামুলপুৰ গ্ৰন্থমেলা অনুষ্ঠিত হৈছে। অসম সাহিত্য সভাৰ সভাপতি ড০ সূৰ্যকান্ত হাজৰিকাই গ্ৰন্থমেলা উদ্বোধন কৰি **ছাত্ৰ-ছাত্ৰীসকলক পঢ়াৰ ধাউতি বঢ়াবলৈ হ'লে বিদ্যালয়সমূহত একোটাকৈ সাহিত্যৰ ক্লাছ কৰক** বুলি তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। তেওঁ কয়, যে ছাত্ৰ-ছাত্ৰীসকলে গ্ৰন্থমেলাত এনে এখন গ্ৰন্থ বিচাৰি ক্ৰয় কৰি পঢ়ক, যিখন গ্ৰন্থই ছাত্ৰ-ছাত্ৰীসকলৰ জীৱন আগুৱাই নিব পাৰিব। গ্ৰন্থৰ কোনো মাধ্যম নাই, ছাত্ৰ-ছাত্ৰীসকলে সকলো ভাষাৰ গ্ৰন্থ পঢ়ক বুলিও তেওঁ ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰতি আহ্বান জনায়। গ্ৰন্থমেলা পৰিচালনা সমিতিৰ সভাপতিত্বত অনুষ্ঠিত সভাখনত জিলা আয়ুক্ত পংকজ চক্ৰৱৰ্তীয়ে বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। গ্ৰন্থমেলাৰ জৰিয়তে তামুলপুৰত কিতাপ পঢ়াৰ আন্দোলন গঢ়ি তুলিব লাগে বুলি সভাত উপস্থিত থকা বড়ো সাহিত্য সভাৰ উপ-সভাপতি প্ৰশান্ত বড়োৱে মন্তব্য কৰে। কালি পুৱাৰ ভাগত গ্ৰন্থমেলা উপলক্ষে পতাকা উত্তোলন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, গ্ৰন্থমেলাৰ মুখ্য দ্বাৰ উন্মোচন আদি কাৰ্যসূচী সম্পন্ন হয়।০০০০

০০০০০০

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে আজি নিশা ৮ বাজি ২ মিনিটত ইয়াৰ দৃষ্টিপাতত বিদেশ ভ্ৰমণৰ খুঁটি-নাটি শীৰ্ষক এটা অনুষ্ঠান প্ৰচাৰ কৰিব। ফোন-ইন এই অনুষ্ঠানত ভ্ৰমণ পৰিচালনাৰ সৈতে জড়িত দুগৰাকী উদ্যমী প্ৰজ্ঞাস্মিতা বৰা আৰু প্ৰিয়ংকা গোস্বামী সমল ব্যক্তিৰূপে উপস্থিত থাকিব। অনুষ্ঠানটিৰ আঁত ধৰিব মানস প্ৰতীম শৰ্মাই। এই অনুষ্ঠান চলি থকা সময়ত আগ্ৰহী শ্ৰোতাই ০৩৬১-২৬৬২৮৭৬ অথবা ২৬৬২৩২৫ নম্বৰ দুটাত  ফোন কৰি বিদেশ ভ্ৰমণ সম্পৰ্কত সমল ব্যক্তি দুগৰাকীৰ সৈতে কথা পাতিব পাৰিব।

০০০০০০

নাগালেণ্ড আৰক্ষীয়ে ৰাজ্যখনত ছেকেণ্ডহেণ্ড অৰ্থাৎ পূৰ্বে ব্যৱহৃত বাহনৰ অসাধু ব্যৱসায়ীৰ পৰা এনে বাহন ক্ৰয় নকৰিবলৈ ৰাজ্যবাসীক আহ্বান জনাইছে। কালি ক'হিমাত জাৰি কৰা এখন বিজ্ঞপ্তিত এইবুলি কোৱা হৈছে যে, নাগালেণ্ড আৰক্ষীয়ে ৰাজ্যখনৰ বাহিৰত পঞ্জীয়ন হোৱা বাহন অসাধু উপায়েৰে নাগালেণ্ডৰ গ্ৰাহকক বিক্ৰী কৰাৰ ভালেসংখ্যক ঘটনা ধৰা পেলাইছে। পূৰ্বে ব্যৱহৃত এনে ভালেসংখ্যক বাহন চুৰি বাহন বুলি পাছত প্ৰমাণিত হৈছে। বিজ্ঞপ্তিখনত লগতে কোৱা হৈছে যে, বৰ্তমান প্ৰায়বোৰ বাহনতে জি পি এছ সংযোজিত হোৱা হেতুকে বাহনৰ বহিঃৰাজ্যৰ প্ৰকৃতগৰাকীয়ে আৰক্ষীৰ জৰিয়তে তেওঁৰ চুৰি বাহনৰ অৱস্থিতি নিৰূপণ কৰে আৰু চুৰি বাহন ক্ৰয় কৰোতাজনক নিজৰ অজানিতে দোষী হিচাপে অভিযুক্ত হয়। সেয়েহে পূৰ্বে ব্যৱহৃত কোনো বাহন ক্ৰয় কৰাৰ ক্ষেত্ৰত সাৱধান হ'বলৈ নাগালেণ্ড আৰক্ষীয়ে সেই ৰাজ্যৰ জনসাধাৰণক আহ্বান জনাইছে। আমাৰ বিশেষ সংবাদাতাই জনোৱা মতে অসমৰ পৰা চুৰি হোৱা বহু বাহন ছিণ্ডিকেট চক্ৰই নাগালেণ্ডলৈ সৰবৰাহ কৰি নতুন পঞ্জীয়নেৰে নাগালেণ্ডৰ গ্ৰাহকক বিক্ৰী কৰাৰ ঘটনা অসম আৰক্ষীয়ে ধৰা পেলাইছে। নাগালেণ্ড আৰক্ষীৰ এই পদক্ষেপে গাড়ী চুৰি চক্ৰৰ কাৰ্যকলাপ প্ৰতিৰোধত সহায় কৰিব বুলি আমাৰ বিশেষ সংবাদদাতাই জনাইছে।

০০০০০০

অহা পহিলা জানুৱাৰীৰ পৰা ৫ দিনীয়া কাৰ্যসূচীৰে পঞ্চদশ বাৰ্ষিক চানডুবি মহোৎসৱ অনুষ্ঠিত হ'ব। কামৰূপ জিলাৰ পলাশবাৰী বিধানসভা সমষ্টিৰ অসম-মেঘালয় সীমান্তৰ ৰাজাপাৰাত অৱস্থিত এই চানডুবি বিলৰ পাৰত আয়োজিত এই মহোৎসৱৰ সময়ত বিলখনৰ নৈসৰ্গিক সৌন্দৰ্য উপভোগ কৰিবলৈ প্ৰতিবছৰে বহুসংখ্যক প্ৰকৃতিপ্ৰেমী পৰ্যটকৰ আগমন হয়। মহোৎসৱৰ সৈতে সংগতি ৰাখি বস্ত্ৰমেলা আৰু থলুৱা খাদ্যমেলাৰ লগতে বৰ্ণিল জনগোষ্ঠীয় সাংস্কৃতিক কাৰ্যসূচী অনুষ্ঠিত হ'ব।

০০০০০০

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত বাতৰি কাকত সমূহে এজন দলীয় কৰ্মীৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত কংগ্ৰেছ দলে কালি গুৱাহাটীত কৰা প্ৰতিবাদক লৈ ফটো সহ আৰু মূখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কংগ্ৰেছক সমালোচনা কৰি দলটোৱে গুৱাহাটীত গুলিচালনা হোৱাতো বিচাৰে বুলি কৰা মন্তব্যক প্ৰথম পৃষ্ঠাত ভিন ভিন শিৰোনামেৰে প্ৰকাশ কৰিছে। তেট তথা নিযুক্তি পৰীক্ষা ১৫ দিন পিচুওৱাৰ পক্ষে উচ্চ ন্যায়ালয়ে ৰায় দিয়াৰ বাতৰি

গুৱাহাটীৰ পৰা আজি প্ৰকাশিত প্ৰায় আটাইকেইখন কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।দৈনিক অসম কাকতে হিতাধিকাৰী আঁচনি উন্নয়নৰ অন্তৰায় বুলি Reserve Bank of India ৰ এখন প্ৰতিবেদনতত প্ৰকাশিত উদ্বেগজনক তথ্যক এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। দৈনিক জনমভূমি কাকতে ৫ দিন ধৰি শ্বেয়াৰ বজাৰৰ সুচকাংক পতনৰ ফলত ১৮ লাখ কোটি লোকচান হোৱাৰ সন্দৰ্ভত এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। বাংলাদেশত ৮ ডিচেম্বৰ পৰ্য্যন্ত হিন্দু আৰু অন্যান্য সংখ্যালঘুৰ বিৰুদ্ধে ২২০০ তা হিংসাৰ ঘটনা সংঘটোত হৈছে বুলি কেন্দ্ৰীয় চৰকাৰে লোকসভাত প্ৰকাশ কৰা এটা তথ্যৰ উদ্ধৃতিৰে The Assam Tribune কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। আফ্ৰিকাৰ উগাণ্ডাত ডিংগা ডিংগা ভাইৰাছজনিত ৰোগ ৩ শতাধিক লোক আক্ৰান্ত হৈছে। এই বাতৰি আমাৰ অসম কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। শিক্ষা সেতু এপৰ পৰা ৰাজ্যত ৪ লাখ ভুৱা শিক্ষাৰ্থী আঁতৰোৱা হৈছে বুলি সমগ্ৰ শিক্ষা, অসমে ইয়াৰ ২০২৩-২৪ বৰ্ষৰ বাৰ্ষিক

**প্ৰতিবেদনত প্ৰকাশ কৰাক কৈ The Sentinel কাকতে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। অসমীয়া খবৰ সদ্য সমাপ্ত শীতকালীন অধিৱেশনত লোকসভাত ৬৬ ঘণ্টাতকৈও অধিক সময় অপব্যয় হোৱা সন্দৰ্ভত ২০ দিনৰ ১১ দিনেই স্তব্ধ সংসদ শীৰ্ষৰে এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে ।দৈনিক অগ্ৰদূত কাকতে মোদীৰ জনপ্ৰিয়তাই হাৰিয়ানা মহাৰাষ্ট্ৰত বিজেপিৰ বৃহৎ জয়ৰ কাৰণ বুলি মেট্ৰিজ নামৰ এটা সংস্থাই প্ৰকাশ কৰা এটা বাতৰিক প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে। একেটা বাতৰিক নিয়মীয়া বাৰ্তা, অসমীয়া খবৰ, দৈনিক জনমভূমি আৰু আমাৰ অসম কাকতেও প্ৰথম পৃষ্ঠাত স্থান দিছে।**

**অসমীয়া প্ৰতিদিন কাকতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনস্থ কলেজসমূহত স্নাতক চতুৰ্থ সন্মাসিকৰ ফলাফল অবিহনেই পঞ্চম সন্মাসিকৰ পৰীক্ষা অনুষ্ঠিত হৈছে বুলি এটা বাতৰি প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।**

oooooo

গোলাঘাট জিলাৰ চিনাতলীৰ শংকৰ মাধৱ ক্ষেত্ৰত স্বেচ্ছাসেৱী সংগঠন অৰণ্যমৰ উদ্যোগত কালিৰে পৰা চতুৰ্থ বাৰ্ষিক সদৌ অসম ভাওনা প্ৰতিযোগিতা অনুষ্ঠিত হৈছে। প্ৰতিযোগিতাখনৰ লগত সংগতি ৰাখি কালি পুৱা পতাকা উত্তোলন, শ্ৰদ্ধাঞ্জলি অনুষ্ঠান, তোৰণ উন্মোচন আৰু গছপুলি ৰোপণ কাৰ্যসূচী অনুষ্ঠিত হয়। ইয়াৰ লগতে প্ৰতিযোগিতামূলকভাৱে সাংস্কৃতিক শোভাযাত্ৰাও উলিওৱা হয়। প্ৰতিদিনে দুখনকৈ মুঠ ৩৪ খন ভাওনা এই প্ৰতিযোগিতাত প্ৰদৰ্শন কৰা হ'ব।

oooooo

চিৰাং জিলা সত্ৰ ন্যায়াধীশ আদালতে এগৰাকী কন্যা শিশুক যৌন নিৰ্যাতনৰ গোচৰৰ অভিযোগত বুদ্ধেশ্বৰ বসুমতাৰীক ১০ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু ১০ হাজাৰ টকাৰ জৰিমনাৰ শাস্তিৰ ৰায় প্ৰদান কৰিছে। কাজলগাঁৱৰ জিলা সত্ৰ ন্যায়াধীশ আদালতৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ ৰূপক ৰজকৰ আদালতে এই ৰায়দান দিয়ে।

oooooo

বিশিষ্ট সংগীত শিল্পী সূৰ্য দাসৰ আজি পুৱা দেহাৱসান ঘটে। মৰিগাঁও জিলাৰ ধৰমতোলত শিল্পীগৰাকীয়ে শেষ নিশ্বাস ত্যাগ কৰে বুলি মৰিগাঁও জিলাৰ আয়ুক্ত দেৱাশিষ শৰ্মাই এই কথা জনাইছে।

oooooo

বতৰৰ বতৰা– বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই দিয়া আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ আকাশ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে ঠায়ে ঠায়ে ডাঠ কুঁৱলী পৰাৰ সম্ভাৱনা আছে। এইসমছোৱাত গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা ২৭ ডিগ্ৰী আৰু সৰ্বনিম্ন ১৩ ডিগ্ৰী ছেলছিয়াছৰ আশে-পাশে থকা সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান বিভাগে আগলি বতৰা দিছে। ইপিনে যোৱা ২৪ ঘণ্টাত গুৱাহাটীৰ সৰ্বোচ্চ তাপমাত্ৰা আছিল ২৬ দশমিক ২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা আছিল ১২ দশমিক ৬ ডিগ্ৰী ছেলছিয়াছ।  উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাখনো ৰাজ্যত ডাঠ কুঁৱলী পৰাৰ লগতে কোনো কোনো ঠাইত পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি অনুমান কৰা হৈছে।

oooooo

সমাপ্ত